অসম বিধান সভা
তৰাচিহ্নীত প্ৰশ্ন নং ঃ ২৭৩
উত্তৰ দানৰ তাৰিখ ঃ ২৯/০৭/২০২৬
*বিষয় ঃ* **ধান ক্ৰয় কেন্দ্ৰ সম্পৰ্কে**
বিধায়কৰ নাম ঃ শ্ৰী সুৰেন ফুকন ঃ

মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত বৰ্তমান ধান ক্ৰয়ৰ কিমানটা কেন্দ্ৰ চৰকাৰৰ জৰিয়তে প্ৰতিষ্ঠা কৰা হৈছে ?

(খ) কৃষি বিভাগে তিনিচুকীয়া জিলাৰ বুঢ়ীদিহিং মৌজাৰ কৃষক সকলৰ সুবিধা হোৱাকৈ সীমামূৰীয়া অঞ্চলটোত ধান ক্ৰয় কেন্দ্ৰ নিৰ্মাণৰ কিবা পৰিকল্পনা হাতত লৈছে নেকি ?

<u>উত্তৰ</u>

মাননীয় কৃষি বিভাগৰ মন্ত্ৰী শ্ৰী পীযুষ হাজৰিকাদেৱে উত্তৰ দিব ঃ

(ক) অসম খাদ্য আৰু অসামৰিক যোগান নিগম পৰিসীমিত (AFCSCL) য়ে কৃষি বিভাগৰ সৈতে আলোচনা কৰি খাৰিফ বিপণন বৰ্ষ ২০২৫-২৬ (প্ৰথম) ত সৰ্বমুঠ ১৮৮ টা ধান ক্ৰয় কেন্দ্ৰ স্থাপন কৰিছে। ঠিক একেদৰে খাৰিফ বিপণন বৰ্ষ ২০২৫-২৬ (দ্বিতীয়) ৰ বাবে সৰ্বমুঠ ১২০ টা ধান ক্ৰয় কেন্দ্ৰ স্থাপন কৰাৰ বাবে অনুমোদন কৰা হৈছে।

(খ) ধান ক্ৰয়ৰ কেন্দ্ৰ স্থাপনৰ বাবে ধান ক্ৰয় কেন্দ্ৰৰ লগতে ভঁৰালঘৰৰ ব্যৱস্থা থকা প্ৰয়োজন। বুঢ়ীদিহিং মৌজাত বসবাস কৰা কৃষকসকলে কাষৰীয়া কাকপথাৰ ধান ক্ৰয় কেন্দ্ৰৰ পৰা নূন্যতম সমৰ্থন মূল্যত (MSP) ধান বিক্ৰী কৰা সুবিধা গ্ৰহণ কৰিব পাৰে। বুঢ়ীদিহিং মৌজাৰ ভিতৰত ধান ক্ৰয় কেন্দ্ৰৰ বাবে আৱশ্যকীয় স্থান আৰু গুদাম থাকিলে ধান ক্ৰয় কেন্দ্ৰ (MSP ত) স্থাপন কৰিব পৰা যাব।

*************